# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নংঃ ৪২০/২০২০

**বাঘজানৰ গেছ কূপত সংঘটিত অগ্নিকাণ্ডৰ ঘটনা সন্দৰ্ভত জনতা ভৱনত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক**

## এই ঘটনাৰ ফলশ্ৰুতিত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ জিলা প্ৰশাসনক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## এই ঘটনাৰ ফলত আশ্ৰয় শিৱিৰত থকা লোকসকললৈ চিকিৎসাকে ধৰি সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ বাবে জিলা প্ৰশাসনক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১২ জুন ঃ** আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত জনতা ভৱনত বাঘজানৰ ঘটনা সম্পৰ্কত এক উচ্চপৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বাঘজানৰ গেছ কূপত সংঘটিত ঘটনা সংক্ৰান্তত এই বৈঠকত বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত বাঘজান আৰু ইয়াৰ সমীপৱৰ্তী এলেকাত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। আনহাতে, এই বৈঠকতে অগ্নিকাণ্ডৰ ফলত পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়টোও আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে গেছ কূপত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাৰ ফলত ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকাৰ যিসকল জনসাধাৰণ আশ্ৰয় শিৱিৰত আশ্ৰয় গ্ৰহণ কৰি আছে সেইসকল লোকলৈ চিকিৎসাকে ধৰি সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলা প্ৰশাসনক এই ঘটনাৰ ফলশ্ৰুতিত হোৱা ক্ষয়-ক্ষতিৰ প্ৰকৃত মূল্যায়ণ কৰি ইয়াৰ বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে গেছ কূপৰ অগ্নি নিৰ্বাপনৰ দিশত ইতিমধ্যে নিয়োজিত হৈ থকা অইল, অ এন জি চি তথা অন্যান্য সংস্থাসমূহলৈ প্ৰয়োজনী সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়োৱাৰ বাবেও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

তদুপৰি, মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে বাঘজানৰ ঘটনাৰ তদন্তৰ বাবে অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং আৰু অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱ আজি ঘটনাস্থলীলৈ ৰাওনা হৈছে। উল্লেখযোগ্য যে কালি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তিনিচুকীয়া জিলাৰ বাঘজানৰ গেছ কূপত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাৰ তদন্ত ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিংক এই তদন্তৰ দায়িত্ব অৰ্পণ কৰি ইয়াৰ প্ৰতিবেদন ১৫ দিনৰ ভিতৰত দাখিল কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিল।

আনহাতে মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱক এই অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ সামগ্ৰিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱৰ পুংখানুপুংখ অধ্যয়ন কৰি শীঘ্ৰে ইয়াৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে কালি নিৰ্দেশ দিছিল। বন বিষয়াগৰাকীক এই অগ্নিকাণ্ডৰ ফলত নিকটৱৰ্তী অঞ্চলসমূহৰ জীৱকূল, পক্ষীকূল, উদ্ভিদকূল তথা জলাশয়সমূহত থকা জলজ প্ৰাণীসমূহৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়টো পুংখানুপুংখভাৱে সামৰি লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিল।

**পুঃডেঃ / বীঃগঃ / প্ৰঃকুঃবঃ**
**১২/০৬/২০২০**